**14 (SEM–IV) ASM 4116**

Mahesh Chandra Dev Goswami Library
Acc. No.........................
Date.........................
Nowgong Girls' College

**2025**

**ASSAMESE**

Paper : ASM–4116

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

৯ নং প্ৰশ্ন আৰু *যিকোনো পাঁচটা প্ৰশ্নৰ* উত্তৰ লিখিবা।

১। শেহতীয়া লোকপিয়লৰ আধাৰত অসমৰ জনগাঁথনি সম্পৰ্কে আলোচনা কৰি অসমৰ মানচিত্ৰত তিব্বত-বৰ্মীয় ভাষা প্ৰচলিত স্থান সমূহ চিহ্নিত কৰা। ১২

২। চীন-তিব্বতীয় ভাষা পৰিয়ালক পণ্ডিতসকলে কেনে ধৰণে শ্ৰেণীবিভাজন কৰি দেখুৱাইছে আলোচনা কৰি G A Griersonৰ শ্ৰেণীবিভাজন সম্পৰ্কে তোমাৰ মন্তব্য দাঙি ধৰা। ১২

৩। "অসমৰ আৰ্যমূলীয় ভাষা আৰু তিব্বত-বৰ্মীয় ভাষাসমূহৰ সহ-অৱস্থানৰ ফলত কিছুমান ভাষাৰ মূলৰ স্বকীয়তা খৰ্ব হৈছে আৰু নতুন নতুন বৈশিষ্ট্য আহি পৰিছে।"—কথাষাৰৰ সত্যতা বিচাৰ কৰা। ১২

৪। বৰো/ ৰাভা/কাৰ্বি/মিচিং/গাৰো *যিকোনো এটা* ভাষাৰ বিশিষ্ট ব্যঞ্জন ধ্বনি কেইটা কি কি তালিকাভুক্ত কৰি সকলো অৱস্থানত বিৰোধী প্ৰয়োগ দেখুৱা। ১২

৫। বৰো/ ৰাভা/কাৰ্বি/মিচিং/গাৰো *যিকোনো এটা* ভাষাৰ সম্বন্ধবাচক শব্দৰ গঠন আৰু প্ৰয়োগ উদাহৰণসহ আলোচনা কৰা। ১২

৬। অসমৰ বৰো/ ৰাভা/কাৰ্বি/মিচিং/গাৰো *যিকোনো এটা* ভাষাৰ বিশেষণ আৰু ক্ৰিয়া বিশেষণৰ গঠন আৰু প্ৰয়োগৰ সাদৃশ্য-বৈসাদৃশ্য বিচাৰ কৰা। ১২

৭। অসমীয়া আৰু অসমৰ বৰো/ ৰাভা/কাৰ্বি/মিচিং/গাৰো *যিকোনো এটা* ভাষাৰ বাক্যতত্ত্বৰ তুলনা কৰি মিল-অমিল উদাহৰণসহ বিচাৰ কৰা। ১২

৮। অসমীয়া আৰু বৰো/ ৰাভা/কাৰ্বি/মিচিং/গাৰো *যিকোনো এটা* ভাষাৰ সৰ্বনামৰ প্ৰকাৰভেদ দেখুৱাই তুলনামূলক আলোচনা কৰা। ১২

৯। চমু টোকা লিখা : *(যিকোনো চাৰিটা)* ৫×৪=২০

(ক) তিব্বত-বৰ্মীয় ভাষাৰ সুৰ

(খ) *যিকোনো এটা* তিব্বত-বৰ্মী ভাষাৰ নঞৰ্থক ক্ৰিয়াৰ গঠন



(গ) *যিকোনো এটা* তিব্বত-বৰ্মী ভাষাৰ পাঁচনি ক্ৰিয়াৰ গঠন

(ঘ) *যিকোনো এটা* তিব্বত-বৰ্মী ভাষাৰ শব্দ ভাণ্ডাৰত অসমীয়া ভাষাৰ প্ৰভাৱ

(ঙ) তিব্বত-বৰ্মী ভাষাৰ পাৰস্পৰিকতা (Reciprocalization)

(চ) *যিকোনো এটা* তিব্বত-বৰ্মী ভাষাৰ নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ ব্যৱহাৰ

---